# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-03-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ইজৰাইলে ইৰাণৰ ৰাজধানী টেহৰাণত প্ৰশাসনৰ সৈতে জড়িত বাছিজ আৰু অভ্যন্তৰীণ সুৰক্ষা কামাণ্ড কেন্দ্ৰত এলানি আক্ৰমণ চলোৱাত পশ্চিম এছিয়াত সংঘাত তীব্ৰতৰ হৈছে।

২। ভুটানৰ বৈদেশিক পৰিক্ৰমা আৰু বাণিজ্য মন্ত্ৰী দীননাথ ধুংগ্যেল আৰু মালটাৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা আৰু পৰ্য্যটন মন্ত্ৰী ইয়ান বৰ্গ একাদশ ৰাইছিনা আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে আজি নতুন দিল্লীত উপস্থিত হৈছে।

৩। ভাৰতৰ ভূতাত্বিক জৰীপে আজি ১৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে।

৪। শ্ৰীলংকাৰ দক্ষিণ উপকূলত ইৰাণৰ এখন নৌবাহিনীৰ জাহাজক সন্দেহ কৰা মতে, এখন ছাবমেৰিনে আক্ৰমণ কৰাৰ ফলত কমেও ১০১ গৰাকী লোক নিৰুদ্দেশ হোৱাৰ বিপৰীতে ৭৮ গৰাকী লোক আহত হৈছে।

*আৰু*

৫। আইচিচি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

ইজৰাইলে ইৰাণৰ ৰাজধানী টেহৰাণত প্ৰশাসনৰ সৈতে জড়িত বাছিজ আৰু অভ্যন্তৰীণ সুৰক্ষা কামাণ্ড কেন্দ্ৰত এলানি আক্ৰমণ চলোৱাত পশ্চিম এছিয়াত সংঘাত তীব্ৰতৰ হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে সামাজিক মাধ্যমযোগে জানিবলৈ দিছে যে, ইৰাণ কৰ্তৃপক্ষই সমগ্ৰ ইৰাণতে নিয়ন্ত্ৰণ কৰা কামাণ্ড কেন্দ্ৰটোত আক্ৰমণ চলায়। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে ক্ষেপণাস্ত্ৰ আৰু আন ব্যৱস্থাৰে এই আক্ৰমণ চলায়। ইজৰাইলৰ বায়ু সেনা বাহিনীয়ে জানিবলৈ দিছে যে, ইৰাণৰ সেনাবাহিনীয়ে যুঁজাৰু বিমানক প্ৰতিহত কৰিবলৈ ব্যৱহাৰ কৰা এয়াৰ ডিফেন্স ছিছটেমক ধ্বংস কৰিছে। ইতিমধ্যে ইৰাণৰ চৰকাৰী টেলিভিশ্যনে জানিবলৈ দিছে যে, ইৰাণৰ সৰ্বোচ্চ নেতা খামেইনীৰ শোক সভা স্থগিত ৰখা হৈছে আৰু পাছত অনুষ্ঠিত কৰা হ'ব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানৱ অধিকাৰ সংস্থাই জানিবলৈ দিছে যে, ২৮ ফেব্ৰুৱাৰীৰ পৰা ইৰাণত এহেজাৰ ৯৭ গৰাকী অসামিৰক লোক নিহত হৈছে। ইজৰাইলৰ বিমান বাহিনীয়ে বেইৰুটত হিজবুল্লাৰ আন্তঃগাঁথনিক লক্ষ্য কৰি পুনৰ আক্ৰমণ কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাট্‌জে জানিবলৈ দিছে যে, ইৰাণৰ পৰৱৰ্তী সৰ্বোচ্চ নেতা নিৰ্বাচন কৰিলে তেওঁক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হ'ব। ইফালে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেণ্ট্ৰেল কামাণ্ডৰ, কামাণ্ডাৰ এডমিৰেল ব্ৰেড কুপাৰে কৈছে, যে আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰাণক

আক্ৰমণ কৰাৰ পৰা বিৰত নাথাকে আৰু দেশখনৰ সামৰ্থ্য হ্ৰাস পাইছে। অপাৰেচন এপিক ফিউৰি সন্দৰ্ভত তেওঁ কয়, যে ১০০ ঘণ্টাতকৈও কম এই অভিযানত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰায় দুহেজাৰ লক্ষ্যত আঘাত হানিছে। তেওঁ কয়, যে ইৰাণৰ বায়ু প্ৰতিৰক্ষা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু ১০০ টা বেলিষ্টিক ক্ষেপণাস্ত্ৰ, ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা সৰঞ্জাম আৰু ড্ৰ'ণ ধ্বংস কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুদ্ধ বিভাগে এখন বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে, অপাৰেচন এপিক ফিউৰিৰ সময়ত কুৱেইটৰ শুইআবা বন্দৰত মানৱবিহীন যুঁজাৰু বিমানৰ আক্ৰমণত আমেৰিকাৰ সেনাবাহিনীৰ চাৰিগৰাকী লোক নিহত হয়। ইতিমধ্যে, ইংলেণ্ড আৰু ফ্ৰান্সে ছাইপ্ৰাছত যুদ্ধ জাহাজ আৰু বায়ু প্ৰতিৰক্ষা সঁজুলি নিয়োগ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰে জানিবলৈ দিছে যে, ছাইপ্ৰাছ আৰু তাত থকা ইংলেণ্ডৰ সেনা বাহিনীৰ বিষয়া-কৰ্মচাৰীসকলৰ সুৰক্ষাৰ প্ৰতি দেশখন সম্পূৰ্ণ দায়বদ্ধ। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে চাৰ্লছ দ্যা গৌল্লে নামৰ যুঁজাৰু বিমান কঢ়িয়াই নিব পৰা বিশেষ বিমানক মধ্য প্ৰাচ্যলৈ ৰাওনা হ'বলৈ নিৰ্দেশ দিছে। আন্তঃৰাষ্ট্ৰীয় আণৱিক শক্তি সংস্থাৰ সঞ্চালক প্ৰধান ৰাফেল মাৰিয়ানো গ্ৰোছিয়ে কয়, যে পাৰমাণৱিক বোমা প্ৰস্তুত কৰাৰ ইৰাণৰ কোনো প্ৰমাণ নাই।

পশ্চিম এছিয়াৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৈদেশিক মন্ত্ৰালয়ে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। জনসাধাৰণে পুৱা ৯ বজাৰ পৰা নিশা ৯ বজালৈকে ট'ল ফ্ৰি নম্বৰ ১৮০০-১১৮৭৯৭ অথবা ০১১-২৩০১-২১১৩, ০১১-২৩০১-৪১০৪ আৰু ০১১-২৩০১-৭৯০৫ নম্বৰত যোগাযোগ কৰিব পাৰে। ভাৰতীয় দূতাবাসসমূহে অঞ্চলটোৰ সংঘাতৰ প্ৰতি ২৪ ঘণ্টাই খোলা থকা জৰুৰীকালীন সাহায্যৰ বাবে এই নম্বৰকেইটা মুকলি কৰিছে।

০০০০০

ভুটানৰ বৈদেশিক পৰিক্ৰমা আৰু বাণিজ্য মন্ত্ৰী দীননাথ ধুংগ্যেল আৰু মালটাৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা আৰু পৰ্য্যটন মন্ত্ৰী ইয়ান বৰ্গ একাদশ ৰাইছিনা আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে আজি নতুন দিল্লীত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে ভাৰত আৰু ভুটানৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা গভীৰ পাৰস্পৰিক বিশ্বাস আৰু সদিচ্ছাৰ ভিত্তিত গঢ়ি উঠিছে। তেওঁ লগতে কয়, যে এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক আৰু অধিক সুদৃঢ় কৰিব। শ্ৰীজয়ছোৱালে কয়, যে ভাৰত আৰু মালটাই বন্ধুত্বপূৰ্ণ আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখিছে।

০০০০০

ভাৰতৰ ভূতাত্বিক জৰীপে আজি ১৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। দক্ষিণ অঞ্চলৰ অতিৰিক্ত সঞ্চালক প্ৰধান বিজয় ভি মুগলে হায়দৰাবাদত অনুষ্ঠিত কাৰ্য্যসূচীত খনিজ পদাৰ্থৰ অন্বেষণ আৰু ভূ-বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত সাফল্য লাভ কৰাৰ বাবে ভাৰতৰ ভূতাত্বিক জৰীপক প্ৰশংসা কৰে। দেশত বৰ্তমান সময়ৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় খনিজ পদাৰ্থ আহৰণৰ বাবে ভূগৰ্ভৰ অধিক গভীৰতালৈকে অন্বেষণৰ ক্ষেত্ৰত জটিল ভূমিকা গ্ৰহণ কৰাৰ বাবে তেওঁ প্ৰশংসা কৰে। বিশ্বৰ দ্বিতীয় পুৰণি সংস্থা ভাৰতৰ ভূতাত্বিক জৰীপে দেশৰ ভূ-বৈজ্ঞানিক ক্ষেত্ৰৰ উন্নয়ন আৰু দেশৰ প্ৰগতিৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিছে।

০০০০০

শ্ৰীলংকাৰ দক্ষিণ উপকূলত ইৰাণৰ এখন নৌবাহিনীৰ জাহাজক সন্দেহ কৰা মতে, এখন ছাবমেৰিনে আক্ৰমণ কৰাৰ ফলত কমেও ১০১ গৰাকী লোক নিৰুদ্দেশ হোৱাৰ বিপৰীতে ৭৮ গৰাকী লোক আহত হৈছে। সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি, শ্ৰীলংকাৰ নৌ বাহিনীয়ে ইৰাণৰ আইৰিছ ডেনা নামৰ জাহাজখনৰ পৰা জৰুৰী ফোন লাভ কৰাৰ লগে লগে উদ্ধাৰৰ বাবে সেই স্থানলৈ ৰাওনা হয়। গালে উপকূলৰ পৰা প্ৰায় ৪০ ন'টিকেল মাইল দূৰত্বত কাৰিকৰী বিজুতিৰ বাবে এই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি অনুমান কৰা হৈছে। কৰ্তৃপক্ষসমূহে জানিবলৈ দিয়া অনুসৰি, ইৰাণৰ

নৌবাহিনীৰ আহত বিষয়া জোৱানসকলক উপকূললৈ লৈ অনা হয় আৰু ইয়াৰে ৩২ গৰাকী লোকক কাৰাপিটীয়া চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। নিৰুদ্দেশ হোৱা লোকসকলক বিচাৰি উলিওৱাৰ বাবে উদ্ধাৰ আৰু সাহায্য অভিযান চলাই থকা হৈছে। দুৰ্ঘটনাৰ সঠিক কাৰণ জানিব পৰা হোৱা নাই যদিও আক্ৰমণৰ ফলতে এই ঘটনা সংঘটিত হৈছে বুলি কিছুমান সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি কয় যে ম্যানমাৰ ভাৰতৰ তিনিটা মূল বৈদেশিক নীতিৰ অগ্ৰাধিকাৰৰ সংগমস্থলীত অৱস্থিত যিবোৰ হ'ল চুবুৰীয়া প্ৰথম, এক্ট ইষ্ট, আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলকে ধৰি মহাসাগৰ নীতি। সৰসোবেকমান সাহিত্য কেন্দ্ৰ ভৱন উদ্বোধন উপলক্ষে ড° জয়শংকৰে কয় যে কেন্দ্ৰটো ভাৰতৰ ঘনিষ্ঠ দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰতীক। মন্ত্ৰীগৰাকীয়ে কয় যে ম্যানমাৰৰ ধ্ৰুপদী আৰু লোকসাহিত্যৰ সংৰক্ষণ আৰু অধ্যয়নৰ ক্ষেত্ৰত ছাৰছ'বেইকমান কেন্দ্ৰই সহায় কৰিব। তেওঁ লগতে কয় যে এই কেন্দ্ৰটোৱে ম্যানমাৰৰ ঐতিহ্যক নতুন প্ৰজন্মৰ লগতে দৰ্শকৰ বাবেও সুলভ কৰি তুলিব।

দুয়োখন দেশৰ সহযোগিতাৰ ওপৰত আলোকপাত কৰি ড০ জয়শংকৰে কয় যে ম্যানমাৰৰ সৈতে ভাৰতৰ সংযোগ জনকেন্দ্ৰিক আৰু চাহিদা-চালিত হৈ আহিছে। তেওঁ আৰু কয় যে কালাডান মাল্টিম'ডাল ট্ৰেনজিট পৰিবহণ প্ৰকল্পকে ধৰি প্ৰকল্পসমূহৰ লক্ষ্য হৈছে দ্বিপাক্ষিক সম্পৰ্ক গভীৰ কৰা আৰু আঞ্চলিক বৃদ্ধিত সহায় কৰা। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে অব্যাহত থকা সহযোগিতাই দুয়োখন দেশৰ বাণিজ্য আৰু জনসাধাৰণৰ সংযোগ বৃদ্ধি কৰিব। লগতে তেওঁ আলোকপাত কৰে যে কভিড মহামাৰী আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ দৰে কঠিন সময়ত ভাৰতে ম্যানমাৰক সদায় সমৰ্থন কৰি আহিছে। ড০ জয়শংকৰে পুনৰ দৃঢ়তাৰে কয় যে ভাৰতে এক সৰ্বাংগীন, ম্যানমাৰ নেতৃত্বাধীন আৰু ম্যানমাৰ নেতৃত্বধীন শান্তি প্ৰক্ৰিয়াক সমৰ্থন কৰে, যিয়ে ম্যানমাৰৰ সকলোৰে বাবে স্থায়ী শান্তি আৰু উন্নয়ন প্ৰদান কৰিব পাৰে।

ooooo

মীন ৰাজ্য মন্ত্ৰী জৰ্জ কুৰিয়ানে কৈছে, যে যদি কেৰালা চৰকাৰে প্ৰস্তাৱ আগবঢ়ায়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে আমুলৰ সৈতে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ মৎস্যফেড সমবায় আৰ্হি বিকশাই তোলাৰ বাবে প্ৰস্তুত আছে। তিৰুৱনন্তপুৰমৰ ৱিজিন্‌জামৰ সমীপৰ কেন্দ্ৰীয় সামুদ্ৰিক মৎস্য গৱেষণা প্ৰতিষ্ঠানত পি এম বিকাশ আঁচনিৰ অধীনত এখন কৰ্মশালা মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে ইয়াৰ বাবে প্ৰয়োজনীয় বিত্তীয় সাহায্য প্ৰদান কৰিব। তেওঁ কয়, যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ সমন্বিত সহযোগিতাৰ মাধ্যমেৰে মৎস্য খণ্ডত সাফল্য অৰ্জন কৰিব পৰা যায়।

ooooo

আইচিচি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। নিউজিলেণ্ডে টছত জিকি দক্ষিণ আফ্ৰিকাক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে দক্ষিণ আফ্ৰিকাই ২ অভাৰত দুটা উইকেটৰ বিনিময়ত ১৬ ৰাণ সংগ্ৰহ কৰিছে।

প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কাইলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ভাৰত আৰু ইংলেণ্ড মুখামুখি হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

বাৰ্মিংহামত অনুষ্ঠিত অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপ-২০২৬ত ভাৰতীয় পুৰুষ যুটী সাত্বিক সাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টিৰ যুটীয়ে আজি মালয়েছিয়াৰ কাং কাই শ্বিং আৰু আৰোন টাইৰ মুখামুখি হ'ব।জানুৱাৰীত অনুষ্ঠিত ইণ্ডিয়া অ'পেন প্ৰতিযোগিতাৰ প্ৰাথমিক পৰ্য্যায়তে বিদায় লোৱা চতুৰ্থ বাছনিৰ ভাৰতৰ যুটীটোৱে উন্নত প্ৰদৰ্শনৰ চেষ্টা চলাব। প্ৰতিযোগিতাত আজি পুৰুষৰ একক শাখাত আয়ুষ চেত্ৰী আৰু মিক্সড ডাবলছত ৰোহণ কাপুৰ-ঋত্বিকা গাড্ডেই প্ৰতিযোগিতাত অংশ ল'ব।

০০০০০

অষ্ট্ৰেলিয়াৰ পাৰ্থত অনুষ্ঠিত এ এফ চি মহিলাৰ এছিয়া কাপ প্ৰতিযোগিতাত আজি ভাৰত প্ৰথমখন খেলত ভিয়েটনামৰ হাতত ২-১ গ'লত পৰাস্ত হয়। ২৩ বছৰৰ পাছত মহিলাৰ এছিয়া কাপৰ বাবে ভাৰতে যোগ্যতা অৰ্জন কৰিছিল। প্ৰতিযোগিতাৰ চি গ্ৰুপত ভাৰতৰ সৈতে জাপান, ভিয়েটনাম আৰু চাইনিছ টাইপেক স্থান দিয়া হৈছে। অহা বছৰ হ'বলগীয়া ফিফা মহিলা বিশ্বকাপৰ বাবে এই এছিয়া কাপ যোগ্যতা নিৰ্ণয়কাৰী হিচাপে বিবেচিত হৈছে।

০০০০০

সমাপ্ত